**মেচাৰ্চ চি. এছ. কোম্পানী আৰু অন্যান্য**

**-বনাম-**

**কেৰালা ৰাজ্যিক বিদ্যুত ব'ৰ্ড**

অক্টোবৰ ২৯, ১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি. বি. পাট্টানায়ক]

*দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮:*

*অৰ্ডাৰ নং VI ৰুল নং ১৭, চি. পি. চি.(দেৱানী প্ৰক্ৰিয়া সংহিতা)- একাউন্ট বিবাদৰ নিষ্পত্তিৰ বাবে মোকৰ্দমা- পৰিমাণৰ ভিত্তিত ক্ষতিৰ গোচৰলৈ ৰূপান্তৰিত কৰাৰ বাবে আবেদনৰ সংশোধন- বিচাৰ আদালতৰ দ্বাৰা আবেদনখন নাকচ- পুনৰীক্ষণত, উচ্চ ন্যায়ালয়ৰ অনুমতি- আপীল অনুষ্ঠিত হোৱাৰ পিছত, কজ অৱ একচন(কাৰ্য্যৰ কাৰণ)ৰ পৰিৱৰ্তন নহয় বা বাৰ অৱ লিমিটেচন(অনুমতিৰ সীমাবদ্ধতা)ৰ পিছত কাৰ্য্যৰ কোনো নতুন কাৰণ প্ৰৱৰ্তন কৰা নহয়- সেয়েহে সংশোধনৰ বাবে আবেদনখনত উচ্চ ন্যায়ালয়ৰ অনুমতি দিয়াৰ অধিকাৰ আছিল।*

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- বিশেষ ছুটিৰ আবেদন(দেৱানী)২০৭০৩-১৯৯৬।

১৯৯৬চনৰ চি.আৰ.পি. নং ৪৭৬-ত কেৰালা উচ্চ ন্যায়ালয়ৰ ২.৮.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ ভিত্তিত।

আবেদনকাৰীসকলৰ পক্ষত চি. এন. শ্ৰীকুমাৰ, এছ. ভি. ৰাজন আৰু ছাজু ফ্ৰান্সিছ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

এই বিশেষ অনুমতি আবেদনখন ১৯৯৬চনৰ ২আগষ্টত চি.আৰ.পি. নং ৪৭৬/৯৬-ত কৰা বিদ্বান একক বিচাৰকৰ আদেশৰ পৰা উদ্ভৱ হৈছিল।

উপস্থাপন কৰা স্থিতিটো হ'ল যে, উত্তৰদাতাই ১৯৮৩চনৰ ১২মে' তাৰিখৰ চুক্তিৰ ভিত্তিত একাউন্টসমূহৰ বিবাদৰ নিষ্পত্তিৰ বাবে মোকৰ্দমা দাখিল কৰিছিল। তেওঁ অভিযোগকাৰী ২ৰ পৰা ৪ৰ বিৰুদ্ধে বা তেওঁলোকৰ সম্পত্তি বিৰুদ্ধে বকেয়া পৰিমাণৰ দেয়ৰ যুটীয়াভাৱে আৰু পৃথকভাৱে ডিক্রী বিচাৰিছিল; লগতে অভিযোগ আবেদনৰ ৪নং অনুচ্ছেদত উল্লেখ কৰা অনুসৰি উত্তৰদাতাই বিবাদীৰ পৰা সকলো লোকচান আৰু পুনৰুদ্ধাৰ কৰাৰ আদেশো আছে। অনুচ্ছেদ নং৪এ-ত উল্লেখ কৰা ক্ষতিৰ পৰিমাণ নিৰ্ধাৰণ কৰি ক্ষতিৰ মোকৰ্দমালৈ ৰূপান্তৰিত কৰাৰ বাবে অভিযোগ সংশোধনৰ বাবে অৰ্দাৰ নং৬, ৰুল নং১৭, চি. পি. চি.-ৰ অধীনত ১৯৯৫চনৰ ১৫ফেব্ৰুৱাৰীত এক আবেদন দাখিল কৰা হৈছিল। বিচাৰ আদালতে আবেদনখন নাকচ কৰিছিল। পুনৰীক্ষণত উচ্চ ন্যায়ালয়ে অনুমতি প্ৰদান কৰে। সেয়েহে, এই বিশেষ অনুমতি আবেদন।

আবেদনকাৰীৰ হৈ উপস্থাপন কৰা হয় যে, বিশেষকৈ পুনৰুদ্ধাৰৰ অধিকাৰ সীমাবদ্ধতাৰ দ্বাৰা নিষিদ্ধ কৰাৰ পিছত, অৰ্থাৎ আবেদনকাৰীসকলক ইতিমধ্যে এক মূল্যৱান অধিকাৰ প্ৰদান কৰাৰ পিছত, কেৱল একাউন্টৰ বিবাদৰ নিষ্পত্তিৰ বাবে আৰু প্ৰতিবাদীৰ পৰা ক্ষতি পূৰণ কৰাৰ অধিকাৰ আছে বুলি ঘোষণা কৰা মোকৰ্দমাক ক্ষতিৰ মোকৰ্দমালৈ ৰূপান্তৰিত কৰিব নোৱাৰি। সেয়েহে, উচ্চ ন্যায়ালয়ৰ এই সংশোধনী অনুমোদন কৰাৰ অধিকাৰ নাই। আমি এই বিবাদত কোনো জোৰ বিচাৰি পোৱা নাই। এইকথা দেখা গৈছে যে, যি পুনৰুদ্ধাৰ কৰাৰ চেষ্টা কৰা হৈছে সেয়া হৈছে অনুচ্ছেদ নং৮এ আৰু মোকৰ্দমাটো হৈছে ব্যৱস্থা গ্ৰহণৰ মূল কাৰ্য্যৰ কাৰণ (ইতিমধ্যে উল্লেখ কৰা চুক্তিৰ) ওপৰত ভিত্তি কৰি ক্ষতিপূৰণ হিচাপে নিৰ্ধাৰিত পৰিমাণৰ আদায় কৰা। এইকথা দেখা গৈছে যে, মূল মোকৰ্দমা একাউন্টৰ বিবাদৰ নিষ্পত্তি আৰু সকলো বিৰোধী আৰু সম্পত্তিৰ বিৰুদ্ধে যুটীয়াভাৱে আৰু পৃথকভাৱে দায়বদ্ধতা দৃঢ় কৰাৰ

বাবে আছিল। প্ৰথমতে বিচৰা সকাহটো আছিল ক্ষতিৰ দায়বদ্ধতা নিৰ্ধাৰণ কৰা আৰু সেইবোৰৰ পৰা আদায় কৰিব পৰা বুলি ঘোষণা কৰা। এইদৰে, এইকথা দেখা গৈছিল যে, মূল কাৰ্য্যৰ কাৰণ অনুসৰি, এতিয়া বিচৰা সকাহ পোৱাটো মোকৰ্দমাতেই উপলব্ধ আছিল। একাউন্ট বিবাদৰ নিষ্পত্তি কৰাৰ পৰিৱৰ্তে, বিবাদীয়ে এতিয়া বিবাদীসকলৰ বিৰুদ্ধে ক্ষতিপূৰণ বিচাৰিছে আৰু ক্ষতিপূৰণ কৰাৰ পৰিৱৰ্তে অভিযোগৰ অনুচ্ছেদ নং৮এ-ত পৰিমাণ নিৰ্ধাৰণ কৰা হৈছে। সংশোধনীখনে কোনো নতুন কাৰ্য্যৰ কাৰণ গঠন নকৰে। উত্তৰদাতাই কাৰ্যৰ কোনো নতুন কাৰণ প্ৰৱৰ্তন কৰা নাই অথবা প্ৰাৰম্ভণতে অনুৰোধ কৰাৰ দৰে কাৰ্য্যৰ কাৰণৰ সলনি নকৰে। সেয়েহে, অনুমতিৰ সীমাবদ্ধতাৰ পিছত ইয়াৰ কাৰ্যৰ কাৰণৰ কোনো পৰিৱৰ্তন নহয় বা কোনো নতুন কাৰণৰ প্ৰৱৰ্তন নহয়। সেয়েহে, উচ্চ ন্যায়ালয় অভিযোগ সংশোধনৰ বাবে আবেদনখনৰ অনুমতি দিয়াৰ ক্ষেত্ৰত সঠিক আছিল।

সেই অনুসৰি বিশেষ অনুমতি আবেদনখন নাকচ কৰা হয়।

জি. এন. আবেদনখন নাকচ কৰা হৈছে।

..................................................................................

অনুবাদ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো

ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

....................